জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নংঃ ৬৮৮/২০২০

## অসম ক্ৰিকেট সন্থাৰ বাৰ্ষিক বঁটা প্ৰদান কৰিলে মুখ্যমন্ত্ৰীয়ে

# ক্ৰীড়াই সদভাৱনা আৰু আন্তৰিকতা সুদৃঢ় কৰে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১৬ অক্টোবৰ ঃ** ৰাজ্যত ক্ৰিকেটৰ বিকাশৰ বাবে ইতিবাচক পৰিৱেশ ৰচনাৰ লক্ষ্যৰে অসম ক্ৰিকেট সন্থাই চলিত বৰ্ষৰ পৰা আৰম্ভ কৰা এ চি এ বাৰ্ষিক বঁটা মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে গুৱাহাটীৰ বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত এক কাৰ্যসূচীত ৰাজ্যৰ কেইবাগৰাকীও প্ৰতিভাশালী উদীয়মান ক্ৰিকেটাৰক প্ৰদান কৰে। এই বঁটাত আছে একোটাকৈ স্মাৰক আৰু আৰ্থিক পুৰস্কাৰৰ চেক। মুখ্যমন্ত্ৰী সোণোৱালে সুপ্ৰজিত শইকীয়াক বৰ্ষটোৰ প্ৰশিক্ষক বঁটা, দশৰথ কুমাৰক বৰ্ষটোৰ প্ৰতিভাশালী খেলুৱৈ বঁটা আৰু ৰঞ্জিত মালীক বৰ্ষটোৰ খেলুৱৈ বঁটা প্ৰদান কৰে। ৰাজ্যৰ কেইবাটাও ক্ৰিকেট ক্লাবক ১ লাখ টকাকৈ এ চি এৰ তৰফৰ পৰা প্ৰদান কৰা আৰ্থিক অনুদানো মুখ্যমন্ত্ৰী সোণোৱালে বিতৰণ কৰে।

এই উপলক্ষে অনুষ্ঠিত কাৰ্যসূচীত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে ক্ৰীড়াই সদভাৱনা আৰু আন্তৰিকতা সমাজত গঢ় দিয়ে। সমন্বয়ৰ দ্বাৰা শক্তিশালী সমাজ গঢ়াত ক্ৰীড়াই উল্লেখযোগ্য ভূমিকা পালন কৰে। ক্ৰীড়া ক্ষেত্ৰত আত্মনিয়োগ কৰা লোকসকল ভাল মন, ভাল স্বাস্থ্য আৰু ইতিবাচক চিন্তাৰ গৰাকী হয়। সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ ‘ক্ৰীড়াই হ’ল শান্তিৰ প্ৰাঙ্গন’ গীতৰ উদ্ধৃতি দি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে ক্ৰীড়াই সমাজত মূল্যবোধ প্ৰতিষ্ঠা কৰে আৰু শান্তিৰ বাৰ্তা প্ৰেৰণ কৰে। ৰাজ্যৰ উঠি অহা যুৱ চামক ক্ৰীড়া ক্ষেত্ৰত নিষ্ঠাৰে আত্মনিয়োগ কৰিবলৈ আহ্বান জনাই মুখ্যমন্ত্ৰী সোণোৱালে কয় যে ক্ৰীড়াবিদ সকলে কঠোৰ পৰিশ্ৰম আৰু সাধনাৰ জৰিয়তে জীৱনত সফলতা আহৰণ কৰে আৰু সেয়েহে তেওঁলোকৰ কণ্ঠত সাধুতা আৰু সৰলতা প্ৰকাশ পায়।

মুখ্যমন্ত্ৰীয়ে কয় যে অসম চৰকাৰে আৰম্ভণিৰে পৰা ক্ৰীড়া ক্ষেত্ৰত বিকাশৰ লগতে খেলুৱৈ সকলে যাতে মৰ্যাদা সহকাৰে জীয়াই থাকিব পাৰে তেনে পৰিৱেশ গঢ়িবলৈ কাম কৰিছে। এই প্ৰসংগত মুখ্যমন্ত্ৰীয়ে অসম চৰকাৰে প্ৰণয়ন কৰা ক্ৰীড়া নীতি আৰু ডিব্ৰুগড়ত প্ৰতিষ্ঠা কৰা ক্ৰীড়া বিশ্ববিদ্যালয়ৰ কথা উল্লেখ কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে অসম চৰকাৰে শিক্ষা, সংস্কৃতি আৰু ক্ৰীড়াৰ সু-সমন্বয়ৰ জৰিয়তে এখন শক্তিশালী অসম গঢ়িবলৈ কাম কৰিছে। ভাল ক্ৰীড়াবিদ নিৰ্মাণ কৰাত প্ৰশিক্ষকসকলৰ ভূমিকাৰ অৱতাৰণা কৰি মুখ্যমন্ত্ৰী সোণোৱালে প্ৰশিক্ষকসকলক দ্ৰোণাচাৰ্য হিচাপে দায়িত্ব পালন কৰিবলৈ আহ্বান জনায়।

অনুষ্ঠানৰ সৈতে সংগতি ৰাখি মুখ্যমন্ত্ৰী সোণোৱালে এ চি এৰ ফেচবুক পেজ, ইনষ্টাগ্ৰাম আৰু টুইটাৰ একাউণ্টো মুকলি কৰে।

অনুষ্ঠানত বক্তব্য প্ৰদান কৰি এ চি এৰ সভাপতি ৰমেন দত্তই কয় যে অসম ক্ৰিকেট সন্থাই প্ৰথমবাৰৰ বাবে এই বাৰ্ষিক বঁটা আৰম্ভ কৰাৰ উপৰি ৰাজ্যত ৮ খন সুকীয়া ক্ৰিকেট আন্তঃগাঁথনি নিৰ্মাণৰ পদক্ষেপ গ্ৰহণ কৰিছে। তদুপৰি, ৩৮ খন ক্ৰিকেট একাডেমীক এ চি এৰ পঞ্জীয়নভুক্ত কৰিবলৈ পদক্ষেপ লৈছে।

জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

এই বাৰ্ষিক বঁটা প্ৰদান অনুষ্ঠানত এ চি এৰ সচিব দেৱজিৎ শইকীয়াই ভাষণ প্ৰদান কৰি বিগত ডেৰ বছৰে ক্ৰিকেট সন্থাটোৱে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ ওপৰত আলোকপাত কৰে। অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালী, লাহোৱাল সমষ্টিৰ বিধায়ক ঋতুপৰ্ণ বৰুৱা, দি এন পি লিমিটেডৰ অধ্যক্ষ ৰূপম গোস্বামী, ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ সঞ্চালক ধৰ্মকান্ত মিলিৰ লগতে এ চি এৰ বিষয়ববীয়া, প্ৰাক্তন আৰু বৰ্তমানৰ কেইবাগৰাকী ৰঞ্জি খেলুৱৈ, উদীয়মান ক্ৰিকেটাৰ তথা ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ ক্ৰিকেট ক্লাব আৰু একাডেমীৰ প্ৰতিনিধিসকল উপস্থিত থাকে।

**বীঃগঃ**
**১৬/১০/২০২০**